# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বুধবাৰ, ৫ মাৰ্চ, ২০২৫

**কৃষি, আবকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, উদ্যান শস্য, অসম চুক্তি ৰূপায়ণ, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী, সামাজিক ন্যায় আৰু সবলীকৰণ, জলসম্পদ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, খনি আৰু খনিজাত দ্ৰব্য, বৰাক উপত্যকা উন্নয়ন।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৪৭**

---

*বিষয় ঃ* **প্ৰকল্প গ্ৰহণ আৰু বাস্তবায়ন**

শ্ৰীসুজাম উদ্দিন লস্কৰ ঃ

২০১। মাননীয় জলসম্পদ বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করে জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলায় LA-07, Katlicherra সমষ্টিতে বাকি থাকা Dyke গুলো RIDF এর অধীনে পকিকরণের কোনও পরিকল্পনা সরকারের আছে কি?

(খ) যদি থাকে তবে কবে নাগাদ তাহা পকিকরণ করা হবে?

*বিষয় ঃ* **খাদ্য সুরক্ষা যোজনা বিষয়ের সম্পর্কে**

শ্ৰীখলিল উদ্দিন মজুমদার ঃ

২০২। মাননীয় খাদ্য, রাজহুৱা বিতরণ এবং উপভোক্তা পরিক্রমা বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) চলিত বিত্তীয় বর্ষে কাটিগড়া সমষ্টিতে খাদ্য সুরক্ষা যোজনার নতুন আবেদনকারীদের মধ্যে বেশিরভাগ আবেদনকারীর আবেদন পত্র ব্লক মারফৎ জেলার বিভাগীয় অফিসে পৌছায়নি। যার দরুন অনেক উপযুক্ত

আবেদনকারী ঐ যোজনা থেকে বঞ্চিত হচ্ছেন। এই ক্ষেত্রে সরকার কি অবগত আছেন? যদি থাকেন তবে কবে নাগাদ তাঁদের নাম অন্তর্ভুক্ত হবে? সবিশেষ তথ্য তুলে দেওয়ার অনুরোধ রইলো।

(খ) যদি না থাকেন তাহলে উপযুক্ত আবেদনকারীদের এই যোজনার অন্তর্ভুক্ত করার জন্য সরকার কি কোন ব্যবস্থা করবে?

*বিষয় ঃ* **রেশন কার্ড ও রেশন ডিলার সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২০৩। মাননীয় খাদ্য বিভাগীয় মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসাম ১৯ লক্ষ রেশন কার্ড বিতরণের স্থিতি কি, তাহার পূর্ণ তথ্য সদনে প্রদানের অনুরোধ জনাই।

(খ) আসামের মাননীয় মুখ্যমন্ত্রীর ঘোষণার মতে ডাল, চিনি রেশন মারফত কবে নাগাদ দেওয়া হইবে তাহা সদনে প্রকাশের অনুরোধ জনাই।

(গ) আসামের ration dealer দের commission বর্ধিত করার বা তাদের মাসিক fixed অনুদান প্রদানের উদ্যোগ সরকারের আছে কি? তার তথ্য সদনে প্রদানের অনুরোধ জনাই।

(ঘ) একটি পরিবারের রেশন কার্ডে যদি কোন সদস্যের নাম অন্তর্ভুক্ত না হয় তবে এড মেম্বার সিষ্টেম করার জন্য সরকারের কোন প্রয়াস আছে কি? তার তথ্য সদনে প্রদানের অনুরোধ জনাই।

*বিষয় ঃ* **ৰেচন কাৰ্ডৰ হিতাধিকাৰী বাচনি সম্পৰ্কে**

শ্ৰীবসন্ত দাস ঃ

২০৪। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪-২৫ বিত্তীয় বৰ্ষত এতিয়ালৈকে মঙলদৈ বিধান সভা সমষ্টিত কিমান হিতাধিকাৰীয়ে ৰেচন কাৰ্ড লাভ কৰিলে জনাব।

(খ) হিতাধিকাৰীৰ বাচনিৰ ক্ষেত্ৰত বিভাগীয় কি নীতি-নিয়ম অনুসৰণ কৰা হৈছে জনাব।

(গ) হিতাধিকাৰীৰ বাচনিৰ বাবে গঠন কৰা জিলা আৰু সমষ্টিৰ পৰ্য্যায়ৰ বাচনি সমিতিৰ সদস্য/সদস্যাই দিয়া তালিকাৰ কিমান গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ল? বাচনি সমিতিৰ সদস্যই অনুমোদন জনোৱা তালিকা আৰু ৰেচন কাৰ্ড লাভ কৰা তালিকাসহ জনাব।

*বিষয় ঃ* **আঁচনি ৰূপায়ণ**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

২০৫। মাননীয় উদ্যান শস্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৩ টা বিত্তীয় বছৰত নগাঁও আৰু মৰিগাঁও জিলাত উদ্যানকৃষি আঁচনিৰ বাবদ মুঠ কিমান টকা আবণ্টন দিয়া হৈছিল আৰু কি কি আঁচনিৰ বিপৰীতে খৰচ কৰা হৈছে? (বৰ্ষ ভিত্তিক তথ্য দিব)।

(খ) কোন কোন আঁচনিৰ বিপৰীতে কোন কোন হিতাধিকাৰী উপকৃত হৈছে বিস্তাৰিত তথ্য দিব।

*বিষয় ঃ* **কয়লা খনি**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

২০৬। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত এই বিভাগে কোন শিতানৰ পৰা কিমান পৰিমাণৰ পুঁজি বিগত তিনিটা বিত্তীয় বৰ্ষত লাভ কৰি আহিছে?

(খ) ৰাজ্যত ৰেট হ'ল মাইনিং অবৈধ নেকি? যদি হয়, তেন্তে তাৰ প্ৰমাণিত তথ্য দাখিল কৰিব।

(গ) ৰাজ্যত বিগত তিনিটা বছৰত কোন কেইটা অবৈধ ৰেট হ'ল মাইনিং বা অন্য প্ৰকাৰৰ অবৈধ কয়লা খনন বন্ধ ৰখাৰ বাবে বিভাগে ব্যৱস্থা লৈছে? নে এই কাম বিভাগৰ আওতাৰ বাহিৰত?

(ঘ) ফেব্ৰুৱাৰী মাহত বঙাইগাঁও জিলাৰ যোগীঘোপাত দেখা যোৱা জব্দকৃত কয়লাসমূহ কোন ঠাইৰ পৰা অহা?

(ঙ) উমৰাংচুৰ অবৈধ কয়লাখনিত কিছুদিন পূৰ্বে কি ঘটিছিল? জানিব পৰা মতে খনিত শ্ৰমিকৰ মৃত্যু ঘটিছে, বিভাগীয় কাৰ্যপন্থাৰ লগতে ঘটনাটোৰ সবিশেষ জনাব।

(চ) বিগত তিনিটা বছৰে এই বিভাগে ক'ত কিমান পৰিমাণৰ অবৈধ কয়লা জব্দ কৰিছে? বিতং তথ্য জনাব।

*বিষয় ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২০৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা প্ৰতিবছৰে অসমত জলসম্পদ বিভাগত কিমান টকা ব্যয় কৰা হৈছে? বিতংকৈ জনাব। এই আঁচনিৰ ধন কোন কোন ঠাইত খৰচ কৰা হৈছে তাৰ তালিকা দিব।

(খ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে সৰুক্ষেত্ৰী সমষ্টিত এই আঁচনিৰ কোনো ধন ব্যয় কৰা হৈছে নেকি?

(গ) যদি হোৱা নাই, কি কাৰণত হোৱা নাই?

(ঘ) ২০১৬ চনৰ পৰা বানপানীৰ ফলত কিমান সম্পত্তি নষ্ট হৈছে? সমষ্টি ভিত্তিত তালিকা দিব।

*বিষয় ঃ* **ৰেচন কাৰ্ড সম্পৰ্কে**

শ্ৰীনিজানুৰ ৰহমান ঃ

২০৮। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত বৰ্তমানলৈকে ধুবুৰী জিলাত কিমান পৰিয়ালক ৰেচন কাৰ্ড দিয়া হ'ল আৰু কিমান পৰিয়ালে ৰেচন কাৰ্ড পাবলৈ বাকী আছে? (সমষ্টি ভিত্তিত বিস্তাৰিত তথ্য সদনত দিব)

(খ) বৰ্তমানলৈকে ৰেচন কাৰ্ড নোপোৱা পৰিয়ালসমূহক ৰেচন কাৰ্ড দিয়াৰ বাবে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কিমান দিনৰ ভিতৰত ৰেচন কাৰ্ড দিয়া প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠিব?

*বিষয় ঃ* **কৃষি ঋণ**

শ্ৰীকৰিম উদ্দিন বৰভূঁঞা ঃ

২০৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰে Kisan Credit Cardৰ জৰিয়তে কিমান কৃষকক কৃষি ঋণ প্ৰদান কৰিলে? (জিলা ভিত্তিক তালিকা দিব)।

(খ) কৃষকসকলে কৃষি ঋণ লোৱাৰ ক্ষেত্ৰত কিবা নীতি নিৰ্দেশনা আছে নেকি? যদি আছে, সদনত দাখিল কৰিব।

(গ) কৃষি যান্ত্ৰিকীকৰণৰ বাবে কোন কোন জিলাত কিমান কৃষকক ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু অন্যান্য সা-সৰ্জুলি যোগান ধৰা হৈছে? হিতাধিকাৰীসকলক কি প্ৰক্ৰিয়াৰে বাচনি কৰা হয়? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)।

*Sub.* : **Godowns in Hojai District**

Shri SIRAJUDDIN AJMAL :

210. Will the Minister of Food, Public Distribution and Consumer Affairs Department be pleased to state:

(a) The details of the number of cold storages and food grain godowns in the state, district-wise.

(b) Whether the Government proposes to increase the number of food grain godowns under any scheme (like MMS-CMSGUY, etc.) ? If so, the details thereof district-wise.

(c) Is the Government aware that despite large-scale paddy production in Hojai District particularly in Binnakandi LAC, the farmers are facing difficulties in marketing of paddy due to lack of sufficient rural godowns in the LAC ?

(d) If so, what action will the Government take in this regard in detail ?

*বিষয় ঃ* **কৃষি সজুঁলি/সামগ্ৰী সম্পৰ্কে**

শ্ৰীনজৰুল হক ঃ

২১১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৩ নং ধুবুৰী বিধান সভা সমষ্টিত কৃষি বিভাগৰ অধীনত যোৱা তিনিটা বিত্তীয় বৰ্ষত কৃষকসকলৰ সুবিধাৰ্থে কি কি সঁজুলি/সামগ্ৰী বিতৰণ কৰা হৈছে? (সজুঁলি/সামগ্ৰীৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) সামগ্ৰীসমূহ বিতৰণৰ ক্ষেত্ৰত কি ভিত্তিত হিতাধিকাৰী বাচনি কৰা হৈছে? গাইডলাইন ভিত্তিত কৰা হৈছেনে? যদি হোৱা নাই কিয়? (হিতাধিকাৰীৰ তালিকাৰ লগতে গাইডলাইনখন সদনত দাখিল কৰিব)।

*Sub.* : **Erosion of River Kanamakra and River Nizla in the nearby villages due to flash flood.**

Shri NIRMAL KUMAR BRAHMA :

212. Will the Minister of Water Resources Department be pleased to state:

(a) Protection of village Kungkrajhara and its adjoining areas from erosion of River Kanamakra at Dwiswn Bund.

(b) Protection of village Laokriguri and its adjoining areas from erosion of River Nizla.

*বিষয় ঃ* **গৰাখহনীয়া**

শ্ৰীতেৰছ গোৱালা ঃ

২১৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪ বৰ্ষত অসমত কোন কোন নদী, ক'ত ক'ত গৰাখহনীয়া আৰু মথাউৰি ভাঙিছিল? জিলা ভিত্তিত সবিশেষ জনাব।

(খ) ভঙা মথাউৰিসমূহ সম্পূৰ্ণ ৰূপত নিৰ্মাণ কৰা হ'ল নেকি? জনাব।

(গ) যোৱা ২০২৪ বৰ্ষত বুঢ়ীদিহিং নদীৰ কিমানটা মথাউৰি যাতায়তৰ বাবে পকীকৰণ (ICPB) কৰা হ'ল? বিধান সভা সমষ্টি ভিত্তিত পকীকৰণৰ দৈৰ্ঘ্যসহ সবিশেষ জনাব।

(ঘ) দুলীয়াজান বিধান সভা সমষ্টিত বুঢ়ীদিহিং নদীৰ গৰাখহনীয়া সম্পৰ্কে চৰকাৰ জ্ঞাত নে? যদি জ্ঞাত, ক'ত ক'ত গৰাখহনীয়া হৈ আছে? সবিশেষ জনাব।

(ঙ) দুলীয়াজান বিধান সভা সমষ্টিত বুঢ়ীদিহিং নদীৰ গৰাখহনীয়াৰ ফলত নদীত জাহ যোৱা গাঁওসমূহৰ তালিকা আছে নেকি? যদি আছে, নাম তালিকা দিব।

*বিষয় ঃ* **অসমত থকা কয়লাখননৰ ৰেটহ'ল মাইনিং আৰু উমৰাংচুত সংঘটিত দুৰ্ঘটনা।**

শ্ৰীঅখিল গগৈ ঃ

২১৪। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদ এলেকাত যোৱা ৬ জানুৱাৰী, ২০২৫ত উমাৰাংচু অঞ্চলত কয়লা অথবা অ'বি কয়লা (Overburden Coal) খননৰ ৰেটহ'ল মাইনিংত সংঘটিত দুৰ্ঘটনাত কিমান শ্ৰমিকৰ মৃত্যু হ'ল, কিমান আঘাতপ্ৰাপ্ত হ'ল, কিমানজন নিৰুদ্দেশ হ'ল নাম, ঠিকনাসহ আক্ৰান্তৰ তালিকা সদনত দাখিল কৰিব।

(খ)ৰেটহ'লত কিমান শ্ৰমিক উদ্ধাৰ নোহোৱাকৈ আছে আৰু কিমান দিনৰ ভিতৰত উদ্ধাৰ কৰা হ'ব? মৃত শ্ৰমিকসকলৰ পৰিয়ালক কি ক্ষতিপূৰণ প্ৰদান কৰা হ'ল? ইয়াৰ তদন্ত বৰ্তমান কি পৰ্য্যায়ত আছে?

(গ) অসমৰ মানীয় মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা কৰা মতে ডিমা হাচাও এলেকাত ২২০ টা ৰেটহ'ল মাইনিং আছে। সেইবোৰৰ ঠিকনাসহ তালিকা, ফটো আৰু ভিডিঅ' দিব।

(ঘ) কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ এলেকাত এনেকুৱা কিমান ৰেটহ'ল মাইনিং বৰ্তমানো চলি আছে বা পূৰ্বৰে পৰা চলি আছিল, কিন্তু বৰ্তমান বন্ধ কৰা হ'ল, সেইবোৰৰো ঠিকনাসহ তালিকা, ফটো, ভিডিঅ' সদনত দাখিল কৰিব। এইবোৰৰ পৰা লাভ কৰা ৰাজহৰ হিচাপ দিব।

*বিষয় ঃ* **ৰেচন কাৰ্ড সন্দৰ্ভত**

শ্ৰীচক্ৰধৰ গগৈ ঃ

২১৫। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান সৰ্বমুঠ কিমানখন ৰেচন কাৰ্ড, কিমান পৰিয়ালৰ হাতত আছে?

(খ) এই সৰ্বমুঠ কাৰ্ডৰ অধীনত কিমান সংখ্যক জনতাক সাঙুৰি লৈছে, তথ্য দিব।

(গ) খোৱাং সমজিলাৰ অধীনত মুঠ কাৰ্ডৰ সংখ্যা কিমান আৰু কিমান মানুহ সামৰি লৈছে?

(ঘ) বহু পৰিয়ালৰ ৰেচন কাৰ্ডত পৰিয়ালটোৰ সম্পূৰ্ণ সদস্যৰ নাম অন্তৰ্ভুক্ত হোৱা নাই এই বিষয়ে চৰকাৰ অৱগত নে?

(ঙ) যদি অৱগত, এই বাদ পৰি থকা ব্যক্তি সকলক কেতিয়ালৈকে ৰেচন কাৰ্ডত নাম অন্তৰ্ভুক্ত কৰিব পৰা যাব, জনাব।

*বিষয় ঃ* **অসম চুক্তি অনুযায়ী বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কৰণ সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

২১৬। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি অনুযায়ী অসমত বৰ্তমান কিমানজন অনুপ্ৰৱেশকাৰীৰ বিদেশী নাগৰিক বুলি চিনাক্তকৰণ কৰা হ'ল আৰু বিদেশী নাগৰিক বুলি চিনাক্তকৰণ কৰা কিমান বিদেশীক অসমৰ পৰা বহিষ্কাৰ কৰা হ'ল? জনাব।

(খ) ভাৰত-বাংলাদেশ সীমান্তত কাঁইটিয়া তাঁৰৰ বেৰ দিয়া কাম সম্পূৰ্ণ হ'লনে? যদি হোৱা নাই, তেনেহ'লে বৰ্তমান সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি? কেতিয়াকৈ সীমান্তত এশ শতাংশই কাম সম্পূৰ্ণ হ'ব? জনাব।

(গ) অসম চুক্তিৰ ছয় নং দফাৰ কাম বৰ্তমান কি পৰ্য্যায়ত আছে? গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰীবিপ্লৱ শৰ্মাই দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত ৰাজ্য চৰকাৰে বৰ্তমানলৈকে কি ব্যৱস্থা গ্ৰহণ কৰিছে? জনাব।

*বিষয় ঃ* **ADP আঁচনি**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

২১৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ অন্তৰ্গত বীৰসিং জৰুৱা বিধান সভা সমষ্টিত ADP আঁচনি অনুমোদিত সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, যোৱা বিধান সভাত ADP আঁচনি সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰাত মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে উক্ত আঁচনিখনৰ Phase II ৰূপায়ণ কৰা হ'ব বুলি জনাইছিল। উক্ত আঁচনিখন ২০২৫ চনৰ ভিতৰত ৰূপায়ণ কৰা হ'বনে?

*বিষয় ঃ* **জলসম্পদ বিভাগৰ মথাউৰী পকীকৰণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

২১৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাগলাদিয়া নদীৰ দুয়োপাৰে বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অংশত কিমান কিলোমিটাৰ মথাউৰি আছে?

(খ) উক্ত মথাউৰী সমূহৰ ভিতৰত কিমান কিলোমিটাৰ অংশ লোক নিৰ্মাণ বিভাগৰ দ্বাৰা পকীকৰণ কৰা হৈছে?

(গ) পকীকৰণ নোহোৱা মথাউৰী পকীকৰণ কৰাৰ বাবে জলসম্পদ বিভাগে পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

(ঘ) কৰিয়াৰ পৰা বিহদিয়া হৈ আদাবাৰী লৈ যোৱা আৰু হাজো-নলবাৰী পথৰ কঠালঘোপা চ'কৰ পৰা হাবলাখোৱা হানাপাৰা আৰু বৰলুইতপাৰ হৈ পুব-আদাবাৰী লৈ যোৱা মথাউৰী দুটা পকীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **ৰেচন কাৰ্ড সম্পৰ্কে**

শ্ৰীৰূপক শৰ্মা ঃ

২১৯। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খাদ্য সুৰক্ষা আইনৰ অধীনত নগাঁও জিলাত ৰেচন কাৰ্ডৰ কিমান সংখ্যক হিতাধিকাৰী আছে? সমষ্টি ভিত্তিত তথ্য দিব।

(খ) নগাওঁ বটদ্ৰৱা সমষ্টিত কিমান লোকে নতুনকৈ ৰেচন কাৰ্ডৰ বাবে আবেদন কৰিছিল? কিমান ব্যক্তিয়ে ৰেচন কাৰ্ড পালে? কিমান ব্যক্তিয়ে ৰেচন কাৰ্ড পোৱা নাই? সমষ্টি ভিত্তিত তালিকা দাখিল কৰিব।

*বিষয় ঃ* **গৰাখহনীয়া সম্পৰ্কত**

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ

২২০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আমগুৰি সমষ্টিৰ ৰূপহিমুখত ভীষণ গৰাখহনীয়া হোৱাৰ বিষয়টো চৰকাৰ অৱগত নে?

(খ) উক্ত গৰাখহনীয়া ৰোধৰ বাবে চৰকাৰে কেনে ব্যৱস্থা ল'ব, সদনক জনাবনে?

*বিষয় ঃ* **মথাউৰি মেৰামতি সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

২২১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিৰ ADB ফালৰ পৰা বনিয়াপাৰা গাঁৱৰ পৰা আৰম্ভ কৰি চিলাৰভিটালৈকে প্ৰায় ৬ কিলোমিটাৰ ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া স্থায়ী প্ৰতিৰোধৰ চলি থকা কামৰ লগত তাৰাঙ্গাপুৰ, তুলসীবাৰী আৰু জলেশ্বৰলৈকে ADBৰ ফালৰ পৰা স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰিবনে?

*Sub.* : **Road Cum Embankment**

Shri RUPJYOTI KURMI :

222. Will the Minister of Water Resources Department be pleased to State :

(a) Is the Govt. aware that presently the left & right bank of Jhanji River Road cum Embankment, under Mariani LAC needs immediate restoration ?

(b) If yes will the Govt. for the convienience of the public of Mariani LAC, from Tamulciga to Jhanjimukh, take up urgent steps for Pucca road?

(c) If yes, by when ?

*বিষয় ঃ* **কৃষকসকলক সামগ্ৰী যোগান ধৰাব ক্ষেত্ৰত।**

ডাঃ আচিফ মঃ নাজাৰ ঃ

২২৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ কৃষি বিভাগে খেতিয়কসকলক কি কি সামগ্ৰী যোগান ধৰে? হিতাধিকাৰীসকলক কেনেদৰে বাচনি কৰা হয়?

(খ) কৃষি বিভাগে বিগত ৩ টা বিত্তীয় বৰ্ষত কৃষকক যোগান ধৰা সামগ্ৰীসমূহৰ তালিকা, প্ৰতি ইউনিটৰ মূল্য আৰু সৰ্বমুঠ কিমান সামগ্ৰী প্ৰদান কৰা হৈছে বিত্তীয় বৰ্ষ অনুসৰি তথ্য দিব।

(গ) বিভাগে লাহৰিঘাট সমষ্টিত কিমান সামগ্ৰী যোগান ধৰিছে তথ্য প্ৰদান কৰিব।

(ঘ) লাহৰিঘাট সমষ্টিৰ কৃষকসকলক কি কি শস্যৰ বীজ যোগান ধৰি অহা হৈছে? বানত ক্ষতিগ্ৰস্ত লাহৰিঘাট সমষ্টিৰ কৃষকসকলক কেনেধৰণে ক্ষতিপূৰণ দিয়া হৈছে? সবিশেষ তথ্য প্ৰদান কৰিব।

(ঙ) কাজি নেমুক জাতীয় ফল হিচাপে স্বীকৃতি দিয়াৰ পাছত কাজি নেমুৰ ব্যৱসায় কিমান বৃদ্ধি পাইছে? সমষ্টি ভিত্তিত জাতীয় ফল কাজি নেমু ক্ৰয় কেন্দ্ৰ স্থাপনৰ জৰিয়তে ক্ষুদ্ৰ কৃষক সকলক উপকৃত কৰিবলৈ বিভাগে ব্যৱস্থা ল'ব নেকি? বিগত ৩ বৰ্ষত অসমৰ পৰা কিমান কাজি নেমু বিদেশলৈ ৰপ্তানি কৰা হৈছে? এই ৰপ্তানিত কোনো চৰকাৰী সংস্থা জড়িত আছে নেকি? কোন কোন বেচৰকাৰী সংস্থাই ৰাজ্যৰ নেমু কৃষকৰ পৰা কিমান দৰত ক্ৰয় কৰি বিদেশত কিমান দৰত ৰপ্তানি কৰে সেই তথ্য বিভাগৰ হাতত আছেনে? যদি আছে, প্ৰদান কৰিব।

*Sub.* : **Mining lease and mining permit, minerals and projects of AMDC.**

Shri ABDUR RASHID MANDAL :

224. Will the Minister of Mines and Minerals Department be pleased to state :

(a) Please furnish District-wise separate list of persons or companies with addresses to whom mining lease and mining permit is granted including period allowed for each lease and permit, rents and royalties (item wise) fixed, amount of rents & royalties (item wise) received from each lease and permit.

(b) Please furnish the rates of rent and royalties of all items of third schedule and second schedule at present in details.

(c) Please furnish the list of minerals separtly under schedule 'X' and schedule "Y" if the Rules in Assam in details.

(d) Please furnish the list of mineral based industries as a joint venture with Assam Mineral Development Corporation Limited, established in Assam during the period from 2017/18 till date with name and addresses of the investors in details.

(e) Please furnish the list of ongoing and proposed projects for mining by Assam Mineral Development Corporation (AMDC) in Assam including year wise and item wise loss or profit gained during the period of 2017/18 till date.

*বিষয়ঃ* **বরাক উপত্যকার উন্নয়ন সম্পর্কে**

শ্রীখলিল উদ্দিন মজুমদার ঃ

২২৫। মাননীয় বরাক উপত্যকা উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) চলিত বিত্তীয় বর্ষে বরাক উপত্যকা উন্নয়নে বিশেষ ভাবে কি কোনো পরিকল্পনা হাতে নেওয়া হয়েছে? যদি হয়ে থাকে তবে কি কি পরিকল্পনা নেওয়া হয়েছে বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইলো।

(খ) কাটিগড়া সমষ্টির সার্বিক উন্নয়নের ক্ষেত্রে কি কোনো পরিকল্পনা হাতে নেওয়া হয়েছে? সবিশেষ তথ্য দেওয়ার অনুরোধ রইলো।

*বিষয়ঃ* **ধান ক্রয় বিক্রয় সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

২২৬। মাননীয় কৃষি বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসাম সরকার MSP প্রকল্পের অধীনে প্রকল্প শুরু হওয়ার থেকে অদ্যাবধি বাৎসরিক টার্গেট ও উপকৃতের সংখ্যার জিলা ভিত্তিক তথ্য সদনে প্রদানের অনুরোধ জানাই।

(খ) আসামের কোন জেলায় কতটি PPC আছে তার জিলা ভিত্তিক সংখ্যা জায়গার নাম সহ প্রদানের অনুরোধ জানাই।

(গ) বর্তমান সরকার দারা ধানের ক্রয় মূল্য কুইণ্টাল প্রতি ক'ত ধার্য করা হইয়াছে?

(ঘ) সরকার দ্বারা ক্রয় করা ধানের মূল্য বাজার মূল্য হইতে কম না বেশি। যদি সমান সমান হ'য় তবে Transportation এবং Labour cost সরকার বহন করিবেন কি?

*বিষয়ঃ* **নিযুক্তি সম্পর্কে**

শ্রীছামছুল হুদা ঃ

২২৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান এই বিভাগত কিমান পদ খালী হৈ আছে? পদ অনুযায়ী জিলা ভিত্তিক তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত এই বিভাগে কিমানক নিযুক্তি প্ৰদান কৰিলে? তথ্য দাখিল কৰিব।

(গ) বৰ্ত্তমান এই বিভাগত Master Roll কৰ্মচাৰীৰ সংখ্যা কিমান? এই কৰ্মচাৰীসকলৰ নিয়মীয়াকৰণৰ কথা চৰকাৰে কিবা চিন্তা কৰিছে নেকি?

(ঘ) গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা WP(C) No. 5823/2021, WP(C) No.3900/2017 গোচৰটো জলসম্পদ বিভাগৰ ১৮১৫ জন আবেদনকাৰীৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ আদেশ উচ্চ ন্যায়ালয়ে দিয়া স্বত্বেও কি

কাৰণত নিয়মীয়াকৰণ কৰা হোৱা নাই, কেতিয়ালৈ এই কাৰ্য্য সমাধান কৰা হ'ব? বিভাগীয় দস্তাবেজ/নথিপত্ৰ সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয়ঃ* **ৰাজহ উপাৰ্জন**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

২২৮। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা তিনিটা বিত্তীয় বছৰত মুঠ কিমান ৰাজহ আহৰণ কৰা হৈছে? কোন কোন শিতানত কিমান ৰাজহ আদায় পোৱা গৈছে? বিত্তীয় বৰ্ষৰ ভিত্তিক পৃথক তথ্য দিব।

(খ) চলিত বিত্তীয় বছৰত এতিয়ালৈকে কোন কোন শিতানত কিমান ৰাজহ সংগ্ৰহ হৈছে?

*বিষয়ঃ* **ৰিহেবিটেশ্বন চেণ্টাৰ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২২৯। মাননীয় সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান চৰকাৰী আৰু বেচৰকাৰী ৰিহেবিটেশ্বন চেণ্টাৰ কিমান আছে? তাত থকা ৰোগীৰ সংখ্যা কিমান? জিলা ভিত্তিত তথ্য দিব।

(খ) ৰোগী সমূহৰ চিকিৎসাৰ বাবে প্ৰতিটো চেণ্টাৰত কিমানজনকৈ ডাক্তৰৰ ব্যৱস্থা আছে?

(গ) নতুনকৈ ৰিহেবিটেশ্বন চেণ্টাৰ পঞ্জীয়ণৰ বাবে কি কি নথি পত্ৰৰ প্ৰয়োজন? বিতং তথ্য দিব।

(ঘ) চৰকাৰীভাৱে নতুনকৈ ৰিহেবিটেশ্বন চেণ্টাৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে নেকি? যদি কৰিছে, অসমৰ ক'ত ক'ত নিৰ্মাণৰ পৰিকল্পনা কৰিছে? বিতংকৈ জনাব।

(ঙ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে ৰিহেবিটেশ্বন চেণ্টাৰৰ নামত বিভাগে কিমান টকা ব্যয় কৰিছে? টকাৰ পৰিমাণৰ বিতং তথ্য দিব।

*বিষয়ঃ* **বিভিন্ন আঁচনিৰ অধীনত বিতৰণ কৰা সামগ্ৰী সম্পৰ্কে।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

২৩০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বিধান সভা সমষ্টিত ২০২১-২২ চনৰ পৰা ২০২৩-২৪ চনলৈ কিমান সংখ্যক পাম্পছেট, পাৱাৰ টিলাৰ, ট্ৰেক্টৰ বিতৰণ কৰা হ'ল? বিত্তীয় বৰ্ষ অনুযায়ী তালিকা দাখিল কৰিব লগতে কৃষক / কৃষক গোট আৰু NGO/SHGৰ নাম ঠিকনাৰ তালিকা সহ সদনত দাখিল কৰিব।

(খ) ২০২১-২২ চনৰ পৰা ২০২৩-২৪ চনলৈ বৰপেটা বিধান সভা সমষ্টিত কিমান সংখ্যক কৃষি বীজ আৰু অন্যান্য সা-সমগ্ৰী বিতৰণ কৰা হ'ল? বিত্তীয় বৰ্ষ অনুযায়ী বিতৰণৰ তালিকাৰ লগতে Appear সহ সদনত দাখিল কৰিব।

(গ) বৰপেটা বিধান সভা সমষ্টিত ২০২১-২২ চনৰ পৰা ২০২৩-২৪ চনলৈ ATMA আঁচনিৰ অধীনত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? বিতং তথ্য, নাম-ঠিকনা তালিকাসহ সদনত দাখিল কৰিব।

*বিষয়ঃ* **অসমৰ কৃষিভূমি**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

২৩১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মুঠ কৃষিভূমি কিমান? ইয়াৰে ভিতৰত একেডৰা মাটিত বছৰত এবাৰ আৰু দুবাৰকৈ কৃষি কাৰ্য্য হোৱা কৃষিভূমিৰ তথ্য দাখিল কৰিব। অসমৰ কিমান শতাংশ লোক কৃষি কাৰ্য্যৰ সৈতে জড়িত?

(খ) অসমত কৃষি ভূমি হ্ৰাস পোৱাৰ কথাটো সঁচা নেকি? যদি সঁচা, কৃষি ভূমি হ্ৰাস পোৱাৰ কাৰণবোৰ কি কি? ২০১৬ চনৰ পৰা ২০২৪ চনলৈ বৰ্ষভিত্তিক অসমৰ মুঠ কৃষিভূমিৰ তথ্য জনাব।

(গ) কৃষকৰ আয় দুগুণ কৰাৰ বাবে অসমত কি কি আঁচনি লোৱা হৈছে? অসমৰ কৃষকৰ আয় সঁচাকৈ দুগুণ হৈছেনে?

(ঘ) অসমত পি এম কিচান আঁচনি ৰূপায়ণত কেলেংকাৰী হৈছে নেকি? অযোগ্য হিতাধিকাৰীক আগবঢ়োৱা সমস্ত ধন ঘূৰাই অনা হ'লনে? অযোগ্য হিতাধিকাৰীৰ পৰা কোন জিলাত কিমান টকা ঘূৰাই অনা হ'ল, কিমান টকা এতিয়াও ঘূৰাই আনিবলৈ বাকী আছে, জিলাভিত্তিক বিতং তথ্য জনাব।

(ঙ) ২০১৬ চনৰ পৰা ২০২৪ চনলৈ অসমত চাউল, মাকৈ, ঘেঁহু, মাহ জাতীয় শস্য উৎপাদনৰ জিলাভিত্তিক আৰু বৰ্ষভিত্তিক বিতং তথ্য জনাব।

(চ) জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱ অসমৰ কৃষিক্ষেত্ৰত কেনেদৰে পৰিছে, ইয়াৰ সৈতে মোকাবিলা কৰিবলৈ কি কি পদক্ষেপ লোৱা হৈছে?

*বিষয়ঃ* **হিতাধিকাৰী আৰু ডিলাৰ সম্পৰ্কে**

শ্ৰীমজিবুৰ ৰহমান ঃ

২৩২। माननীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়া যেনে Deputy Director of Food and Civil Supply (DDS) আৰু অন্যান্য কৰ্মচাৰী সকলে ২০২৪-২৫ চনত শেহতীয়াকৈ চৰকাৰে দিয়া বিনামূলীয়া ৰেচন কাৰ্ডৰ বিতৰণৰ ক্ষেত্ৰত কিছু মধ্যভোগী ব্যক্তি সকলৰ জৰিয়তে হিতাধিকাৰীৰ পৰা ধন (ঘোচ) লোৱা পৰিলক্ষিত হৈছে। আনকি বাচনি সমিতিয়ে বাচনি কৰা হিতাধিকাৰীৰ নাম কৰ্তন কৰি মধ্যভোগীৰ দ্বাৰা ধন সংগ্ৰহ কৰি (বাচনি সমিতিয়ে বাচনি নকৰা) শ শ হিতাধিকাৰীক বেআইনীভাৱে অন্তৰ্ভুক্ত কৰা পৰিলক্ষিত হৈছে? এইক্ষেত্ৰত এনে ধৰণৰ বিষয়া কৰ্মচাৰী বিৰুদ্ধে কিবা আইনীভাৱে ব্যৱস্থা গ্ৰহণ কৰিবনে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) দলগাঁও বিধানসভাৰ অন্তৰ্গত বহুত ডিলাৰৰ বিৰুদ্ধে হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহ কৰা, চাউল কমকৈ দিয়া, হিতাধিকাৰীৰ লগত বেয়া ব্যৱহাৰ কৰা আদি বিভিন্ন অভিযোগ উত্থাপন হোৱা দেখা যায়। সততে ধন আত্মসাত কৰা আৰু অভিযোগ থকা ডিলাৰ সকলৰ বিৰুদ্ধে চৰকাৰে কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবনে? তেনে ধৰণৰ ডিলাৰৰ পঞ্জীয়ন বাতিল কৰিবৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

*বিষয়ঃ* **প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা সন্দৰ্ভত**

শ্ৰীসুৰেন ফুকন ঃ

২৩৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ অন্তৰ্গত কিমানজন কৃষকে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সুবিধা লাভ কৰিছে? (বিতংভাৱে জনাব)।

(খ) চলিত বৰ্ষত ডিগবৈ সমষ্টিত কিমানজন কৃষকে চৰকাৰী বিনামূলীয়া বীজ লাভ কৰিলে? (বিতংভাৱে জনাব)।

(গ) ডিগবৈ সমষ্টিত কৃষক সন্মান নিধিৰ ধন লাভ কৰা মুঠ কৃষকৰ সংখ্যা কিমান? (বিতংভাৱে জনাব)।

*বিষয়ঃ* **মথাউৰি নিৰ্মাণ**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

২৩৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ দুধনৈ নদীৰ কাষেৰে টাঙাবাৰী, সাৰাপাৰা, বামুনপাৰা আৰু নন্দেশ্বৰ লৈ বনাই থকা মথাউৰিটো গৰাখহনীয়াৰ পৰা ৰক্ষা পাবলৈ কিবা ব্যৱস্থা চৰকাৰে কৰিব নেকি? Road cum Embankment আঁচনিৰ দ্বাৰাই এই মথাউৰিটো নিৰ্মাণ কৰিব পৰা যাব নেকি? যদি যায়, কেতিয়া কৰিব? তথ্য সহকাৰে জনাব।

(খ) কাছাৰী ঘাটৰ পৰা পঞ্চৰত্ন লৈ যোৱা মথাউৰিটো এতিয়াও প্ৰায় ২ কিলোমিটাৰ বাকী আছে যাৰ ফলত প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ নদীৰ পানীয়ে গোৱালপাৰা চহৰত সোমাই চৰকাৰী, বেচৰকাৰী আৰু ব্যক্তিগত বহুত সা-সম্পত্তি নষ্ট কৰে। গতিকে অতি সোনকালে বাকী থকা মথাউৰিখিনি Protection সহ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব নেকি, যদি কৰে কেতিয়া? তথ্য সহকাৰে জনাব।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰাই নিৰ্মাণ কৰা কৃষ্ণাই নদীৰ কাষেৰে যোৱা মইনামতি মথাউৰিটো মেঘালয়ৰ ঢল পানীয়ে কেইবা ঠাইত চিঙি লৈ গৈছে, গতিকে মথাউৰিটো জলসম্পদ বিভাগে অতি সোনকালে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰি বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক ৰক্ষা কৰিব নেকি? তথ্য সহকাৰে জনাব।

*Sub.*: **Establishment of an Agri-Export Promotion Board & Strengthening Beekeeping for Pollination & Honey Production.**

Shri DIPAYAN CHAKRABORTY :

235. Will the Minister of Agriculture Department be pleased to state :

(a) Although Assam has rich agricultural diversity, its contribution to national agricultural exports remains limited.

(i) Whether the Government is considering the establishment of a dedicated Agri-Export Promotion Board to facilitate export training, market linkages and direct support for organic and high-value crops, thereby boosting Assam's agricultural exports and enhancing farmers' income?

(b) Apiculture plays a crucial role in increasing agricultural yields and providing and additional income source for farmers.

(i) whether the Government is considering enhancing support under the National Beekeeping & Honey Mission (NBHM) by providing financial assistance for beekeeping equipment, establishing training centres, and developing a dedicated honey market in Assam to boost crop productivity and promote honey exports?

*বিষয় ঃ* **কৃষি সা-সঁজুলি যোগান**

ড° অমিয় কুমাৰ ভূঞা ঃ

২৩৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪-২৫ বৰ্ষত বিভাগৰ তৰফৰ পৰা কৃষকৰ বাবে কি কি ধৰণৰ আধুনিক কৃষি সা-সঁজুলি যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে? তেনে ধৰণৰ সজুলিৰ নামসমূহ কি কি?

(খ) বিভাগৰ তৰফৰ পৰা নিয়মীয়াকৈ সাৰ যোগান ধৰি থকা হৈছে নেকি? যদি হৈছে, কি

কি সাৰ আৰু কিমান টকা ৰেহাই মূল্যত দিয়া হৈছে? বিহপুৰীয়া সমষ্টিত কিমান সংখ্যক কৃষক উপকৃত হৈছে? (তালিকা সদনত দাখিল কৰিব)।

(গ) কৃষকৰ বাবে কি কি ধৰণৰ পাম্প যোগান ধৰি থকা হৈছে? তেনে ধৰণৰ পাম্পসমূহ কি কি? বিহপুৰীয়া সমষ্টিত কিমান সংখ্যক হিতাধিকাৰীয়ে এই পাম্পসমূহ পাইছে? (সদনত জনাব)।

*বিষয় ঃ* **মথাউৰি ভঙাৰ সন্দৰ্ভত**

শ্ৰীচক্ৰধৰ গগৈ ঃ

২৩৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ২০২৪ বৰ্ষত কিমান ঠাইত নদীৰ মথাউৰি ভাঙিছিল? আৰু কোন কোন ঠাইত ভাঙিছিল জনাব।

(খ) মথাউৰিৰ উপৰিও নদী কাষৰীয়া ৰিং বান্ধ ভাঙিও অসমৰ কোনো কোনো ঠাইত বানপানী হৈছিল নেকি, জনাব।

(গ) যদি হৈছিল, কোন কোন ঠাইত হৈছিল, জনাব।

(ঘ) বৰ্তমান খোৱাং সমষ্টি এলেকাৰ কোন কোন ঠাইত, কেনেকৈ আৰু কিমানখন গাঁৱত বানপানী হৈছিল?

(ঙ) ডিব্ৰুগড় জিলাৰ, কোন কোন ঠাইত নদীয়ে ভঙা মথাউৰিসমূহ নিৰ্মাণ কৰা হ'ল বা কৰা হৈছে, বিতংভাৱে জনাব।

*বিষয় ঃ* **ৰেচন কাৰ্ড**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

২৩৮। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কোন জিলাত কিমান সংখ্যককৈ ৰেচন কাৰ্ড কাৰ্যক্ষম হৈ আছে আৰু ইয়াৰ বিপৰীতে কিমানজন হিতাধিকাৰী আছে ? জিলা আৰু সমষ্টি অনুযায়ী জনাব।

(খ) শেহতীয়াকৈ সমাপন হোৱা ৰেচন কাৰ্ড প্ৰস্তুতত ২-৩ জনকৈ সদস্য থকা পৰিয়ালৰ নাম ৰেচন কাৰ্ডৰ পৰা কৰ্তন কৰাটো সত্যনে? যদি সত্য, কোন জিলাত কিমান সংখ্যকৰ নাম অনলাইনত আপডেট হোৱাৰ পিছত কৰ্তন কৰা হৈছে?

(গ) ব্লক লেভেল কমিটিয়ে কাৰ্ডৰ বাবে হিতাধিকাৰী বাচি দিয়াৰ পিছতো কি কি কাৰণত কাৰ্ডৰ তালিকাত হিতাধিকাৰীৰ নাম অহা নাই আৰু অনলাইনত আপডেট হোৱাৰ পিছতো নাম কটাৰ কাৰণ কি কি?

(ঘ) এই বিভাগৰ মতে এটা পৰিয়ালৰ সংজ্ঞা কি? এটা পৰিয়াল নূন্যতম আৰু সৰ্বাধিক কিমান সদস্যৰে গঠিত হয়?

(ঙ) শেহতীয়াকৈ প্ৰস্তুত কৰা ৰেচন কাৰ্ড কি কি গাইড লাইন বা এছ.অ.পি. মৰ্মে প্ৰস্তুত কৰা হৈছে? বিতং জনাব।

*বিষয় ঃ* **চাহ জনগোষ্ঠীৰ জাতিৰ নাম তালিকা**

শ্ৰীতেৰছ গোৱালা ঃ

২৩৯। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত থকা বৃহত্তৰ চাহ জনগোষ্ঠীৰ অন্তৰ্ভূক্ত কিমানটা জাতি, গোষ্ঠী, সম্প্ৰদায় আছে? জাতি, গোষ্ঠী, সম্প্ৰদায়সমূহৰ নামৰ তালিকা দিব।

(খ) উক্ত জাতি, গোষ্ঠী, সম্প্ৰদায়সমূহক ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগত বা পিছপৰা শ্ৰেণী হিচাবে কেতিয়া তালিকাভূক্ত কৰা হ'ল? অধিসূচনাসমূহৰ প্ৰতিলিপি দিব।

(গ) অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ জাতিগত প্ৰমাণপত্ৰ কোনে প্ৰদান কৰে আৰু আবেদনকাৰীসকলক কোনে আৰু কি কি ভিত্তিত চিনাক্তকৰণ কৰে? সবিশেষ জনাব।

*বিষয় ঃ* **অসমত থকা কয়লা অথবা অ' বি কয়লা খননৰ ৰেট হ'ল মাইনিঙৰ তালিকা।**

শ্ৰীঅখিল গগৈ ঃ

২৪০। মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ (KAAC) আৰু ডিমা হাচাও স্বায়ত্বশাসিত পৰিষদ (DHAC) এলেকাত কি কি খনিজাত পদাৰ্থ খননৰ বাবে বিভাগে বা AMDCL এ অনুমতি প্ৰদান কৰিছে? সেই অনুমতি পত্ৰ বা NOC ৰ কপি সদনত দাখিল কৰিব।

(খ) ওপৰৰ দুয়োখন স্বায়ত্ব শাসিত পৰিষদ এলেকাত সৰ্বমুঠ কিমান Ratchole Mining আছে? সেইবোৰ Ratchole Mining ৰ সম্পূৰ্ণ ঠিকনা, Google Map, ফটো আৰু ভিডিঅ' সদনত দাখিল কৰিব। সেইবোৰ Ratchole Mining ৰ দ্বাৰা কি কি খনিজ পদাৰ্থ খনন কৰা হয়? তাৰে কিমান কয়লা (Coal) আৰু কিমান Over Burden Coal বা অ' বি কয়লা? OB Coal ৰ খনন Ratchole Mining ৰে কৰাৰ যাবতীয় নিৰ্দেশাৱলী/অনুমতি পত্ৰ সদনত দাখিল কৰিব।

(গ) KAAC আৰু DHAC ৰ অন্তৰ্গত এলেকাৰ বাহিৰেও অসমৰ কোন কোন অঞ্চলত কয়লা অথবা অ' বি কয়লা খনন কৰা হয়? অসমত কয়লা/অ' বি কয়লা খননৰ সকলোবোৰ Open Cast Mining আৰু Ratchole Mining ৰ তথ্য দিব।

*Sub.* **ঃ Taking over of Jamuna CCFE by WR department.**

Shri SIRAJUDDIN AJMAL :

241. Will the Minister of Water Resources Department be pleased to state :

(a) Does the Government know that after submitting my letter MLA/JMK/008/AS/2024-25 to the Hon'ble Chief Minister on 09/02/2024, any measures have been taken within the Department to take over Jamuna CCFE (Canal Cum Flood Embankment) from Irrigation Department and convert the same into road cum embankment ?

(b) If so, Please furnish details its latest update, and

(c) If not, give the reasons in detail.

*বিষয় ঃ* **কয়লা ব্যৱসায়ৰ সন্দৰ্ভত**

ডাঃ আচিফ মঃ নাজাৰ ঃ

২৪২। মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ Assam Mineral Development Corporation Ltd. য়ে বিগত তিনিটা বিত্তীয় বৰ্ষত কিমান টকাৰ কয়লাৰ ব্যৱসায় কৰিছে?

(খ) Assam Mineral Development Corporation Ltd. য়ে ব্যৱসায় কৰা কয়লাৰ উৎস কি?

(গ) Assam Mineral Development Corporation Ltd. য়ে ব্যৱসায় কৰা কয়লাসমূহ কোন কোন দেশলৈ আৰু কিমান টন কয়লা ৰপ্তানি কৰা হৈছে?

(ঘ) ৰপ্তানি কৰা কয়লাৰ ফলত ৰাজকোষ লৈ বিদেশৰ পৰা কিমান টকাৰ আয় হৈছে?

(ঙ) ৰেট হ'ল মাইনিং বন্ধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **বান আৰু গৰাখহনীয়া প্ৰতিৰোধ**

ড° অমিয় কুমাৰ ভূএগ ঃ

২৪৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্বনাথ জিলা আৰু লখিমপুৰ জিলাৰ সীমামূৰীয়া বিহপুৰীয়া সমষ্টিৰ চেঁচা নদীৰ বৰ্তমানেও চেঁচা গড়কাপ্তানী পথৰ পৰা ৰে'লৱে লাইনলৈ মথাউৰি উন্মুক্ত হৈ আছে। যাৰ ফলত চেঁচা নদীৰ বানে প্ৰতিবছৰে নিৰ্ম্মিয়মান চেঁচা অসম মালা গড়কাপ্তানী পথ তথা অন্য ৰাস্তা-ঘাট, কৃষিভূমি আৰু ঘৰ-দুৱাৰ আদিৰ বিস্তৰ ক্ষতি হৈ আছে। তেনে ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত বান আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বিশেষ আঁচনি ৰূপায়ণ কৰিব নেকি? (সদনত জনাব)

(খ) বিহপুৰীয়া সমষ্টিৰ সোৱণশিৰি নদীৰ সোঁফালৰ কাঁচিকটা দলঙৰ পৰা টেমেৰা মিৰি গাঁৱলৈ মথাউৰি বৰ্তমানেও উন্মুক্ত হৈ আছে। তেনে ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত বান আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বিশেষ পদক্ষেপ ল'ব নেকি? (সদনত জনাব)

*বিষয় ঃ* **কুশিয়াৰা বরাক নদীর খনন প্রক্রিয়া সম্পর্কিত।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

২৪৪। মাননীয় জলসম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কুশিয়ারা ও বরাক নদীর খনন প্রক্রিয়া কবে নাগাদ শুরু হয়েছিল তার বর্তমান অবস্থিতি কি? তথ্য সহকারে সদনে প্রকাশের অনুরোধ জানাই।

(খ) কাঠিগড়া সমষ্টিৰ মহাদেবপুর Kinnakhal etc. area switch gate গুলি যাহা বিভাগীয় মাননীয় মন্ত্রী মহোদয় পরিদর্শন করেছিলেন সেগুলি proper operation এর অভাবে artificial flood হয় এই ব্যাপারে সরকার কি অবগত? সরকার redressal এর জন্য কি ব্যবস্থা নিয়েছেন তাহা বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

(গ) কাঠিগড়া সমষ্টিতে মহাদেবপুর অঞ্চলে Water Resourse Department যে ৪.৫ কোটি টাকার কাজ হইয়াছিল তাহা বরাক নদীর জলতলে চলিয়া গিয়াছে এই খবরটি সত্য কি? যদি সত্য হয়, তবে ঠিকাদারের নাম ঠিকানা ও কাজের বিবরণ সহ তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **ৰেচন কাৰ্ড**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

২৪৫। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বিত্তীয় বছৰত কোন কোন জিলাত কিমান সংখ্যক নতুন ৰেচন কাৰ্ড যোগান দিয়া হৈছে?

(খ) চাৰিজনতকৈ কম সদস্য থকা পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰা হোৱা নাই নেকি? যদি দিয়া নাই কিয়?

(গ) সৰু পৰিয়াল সমূহক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব নেকি? যদি দিয়া হয়, কেতিয়া দিব?

*বিষয় ঃ* **অসম চুক্তিৰ ৬ নং দফা সম্পৰ্কীয় সমিতিৰ প্ৰতিবেদন কেতিয়া ৰূপায়ন হ'ব?**

শ্ৰীঅখিল গগৈ ঃ

২৪৬। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ কি কি দফা ৰূপায়ণ কৰিবলৈ এতিয়াও বাকী আছে আৰু সেইবোৰ

কেতিয়াৰ ভিতৰত ৰূপায়ন কৰিব? ৰূপায়ণ নোহোৱা প্ৰতিটো দফা উল্লেখ কৰি কেতিয়াৰ ভিতৰত সেইবোৰ দফা ৰূপায়ণ কৰিব সদনক অৱগত কৰিব। ৰূপায়ণ হোৱা আৰু নোহোৱাৰ শতাংশ উল্লেখ কৰিব।

(খ) প্ৰাক্তন ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত ৬ নং দফা সম্পৰ্কীয় সমিতিৰ প্ৰতিবেদনখন কেতিয়াৰ ভিতৰত ৰূপায়ন কৰিব? সেই প্ৰতিবেদনৰ প্ৰতিটো অনুমোদন (Recommendation) উল্লেখ কৰি কেনেকৈ আৰু কেতিয়াৰ ভিতৰত ৰূপায়ণ কৰিব বিস্তৃত তালিকা প্ৰদান কৰিব। অসম চৰকাৰৰ দ্বাৰা গঠিত এই সম্পৰ্কীয় উপ সমিতিৰ আটাইকেইলানি আলোচনাৰ সাৰাংশ (Minutes) সদনত দাখিল কৰিব। সেই প্ৰতিবেদনখন সন্দৰ্ভত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা যোগাযোগ (Correspondence) সমূহ সদনত দাখিল কৰিব।

*বিষয় ঃ* **কয়লা খনি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৪৭। মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানখন কয়লাখনি আছে? তালিকা দিব।

(খ) এই কয়লাখনিসমূহৰ কোন কেইখন খনন কৰাৰ বাবে অনুমতি আছে? তাৰ তালিকা দিব।

(গ) উমৰাংচুত চলি থকা অবৈধ কয়লা খনন কাৰ্যৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) এই অবৈধ খনন কাৰ্যত কোন কোন জড়িত? তথ্য দিব।

(ঙ) অবৈধ খনন কাৰ্যৰ সৈতে জড়িতসকলৰ বিৰুদ্ধে বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতং তথ্য দিব।

(চ) অবৈধ খনন কাৰ্য্যত প্ৰাণ আহুতি দিয়াসকলক চৰকাৰে কেনেকুৱা ধৰণৰ সহায় কৰিছে? জনাব।

---

Assam Government press 39/25-LAQ-550-28-02-2025